**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-02-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

---

১। মহাকুম্ভৰ পৰম্পৰাই হাজাৰ হাজাৰ বছৰ ধৰি ভাৰতৰ জাতীয় চেতনা পুনৰ সজীৱ কৰি তুলি দেশ তথা সমাজলৈ নতুন পথৰ সন্ধান দিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰে।

২। কেন্দ্ৰীয় শিক্ষা ৰাজ্য মন্ত্ৰী ড০ সুকান্ত মজুমদাৰে শিক্ষাৰ্থী, গৱেষক আৰু শিক্ষাবিদসকলৰ উৎকৰ্ষ সন্ধানৰ নিৰৱচ্ছিন্ন প্ৰচেষ্টাই  বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিত সহায় কৰিব বুলি মন্তব্য কৰে।

৩। কন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনখুস মান্দাভিয়াই আজি ভাৰ্চুৱেল মাধ্যমেৰে বিজ্ঞান বিকশিত ভাৰত সমাৱেশ উদ্বোধন কৰে।

৪। নতুন দিল্লীৰ বিজ্ঞান ভৱনত আজি প্ৰাণী মিত্ৰ আৰু জীৱ দয়া বঁটা বিজয়ীসকলক বঁটা প্ৰদান কৰা হয়।

*আৰু*

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ আজি পাকিস্তান আৰু বাংলাদেশৰ মাজত হ'বলগীয়া খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে মহাকুম্ভৰ পৰম্পৰাই হাজাৰ হাজাৰ বছৰ ধৰি ভাৰতৰ জাতীয় চেতনা পুনৰ সজীৱ কৰি তুলিছে আৰু দেশ তথা সমাজলৈ নতুন পথৰ সন্ধান দিছে। শ্ৰী মোদীয়ে কয়, যে এইবাৰৰ মহাকুম্ভ ১৪৪ বছৰ পাছত অনুষ্ঠিত হৈছে আৰু এই মহাকুম্ভই ভাৰতৰ উন্নয়নৰ যাত্ৰাত এটা নতুন দিশ সূচনাৰ বাৰ্তা বহন কৰিছে। তেওঁ কয়, যে এই বাৰ্তা হৈছে বিকশিত ভাৰতৰ বাৰ্তা।

প্ৰধানমন্ত্ৰী মোদীয়ে মহাকুম্ভক একতাৰ মহাযজ্ঞ বুলি অভিহিত কৰে। তেওঁ কয়, যে নিজৰ ঐতিহ্যক লৈ দেশে গৌৰৱ বোধ কৰে আৰু নতুন শক্তিৰে ভৱিষ্যতৰ বাবে আগবাঢ়ি গৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা প্ৰকাশ কৰি শ্ৰী মোদীয়ে কয়, যে দেশৰ ভৱিষ্যত ৰচনা কৰাৰ বাবে এয়া হৈছে ৰূপান্তৰৰ আৰম্ভণি।  শ্ৰী মোদীয়ে কয়, যে এই মহাকুম্ভ মেলাত দেশ-বিদেশৰ বিভিন্ন জাতি তথা আদৰ্শৰ লোকে অংশগ্ৰহণ কৰিছে। মহাকুম্ভত বৃহৎ সংখ্যক ভক্তই অংশগ্ৰহণ কৰাটো কেৱল এটা অভিলেখেই নহয়, বৰঞ্চ ই শতিকা শতিকা জুৰি দেশৰ বৰ্ণাঢ্য ঐতিহ্য আৰু সংস্কৃতিৰ শক্তিশালী ভেটি স্থাপন কৰিলে। মহাকুম্ভৰ সফল সমাপ্তিক লৈ সন্তুষ্টি প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে জনসাধাৰণৰ প্ৰচেষ্টা, কঠোৰ পৰিশ্ৰম আৰু সংকল্পৰ শলাগ লয়। তেওঁ কয়, যে বিগত ৪৫ দিনত প্ৰয়াগৰাজত বিপুল সংখ্যক ভক্তৰ উপস্থিতয়ে ১৪০ কোটি ভাৰতীয়ৰ বিশ্বাসক প্ৰতিফলিত কৰিলে। সমাজৰ সকলো শ্ৰেণীৰ লোক একত্ৰিত হোৱা এই মহাকুম্ভ সঁচাকৈ অভিনৱ আছিল বুলি শ্ৰী মোদীয়ে মত প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় শিক্ষা ৰাজ্য মন্ত্ৰী ড০ সুকান্ত মজুমদাৰে কয়, যে শিক্ষাৰ্থী, গৱেষক আৰু শিক্ষাবিদসকলৰ উৎকৰ্ষ সন্ধানৰ নিৰৱচ্ছিন্ন প্ৰচেষ্টাই হে বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিত সহায় কৰিব পাৰে। পুডুচেৰীৰ কাৰাইক'লত অৱস্থিত ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠান এন আই টিৰ ১৫ সংখ্যক প্ৰতিষ্ঠা দিৱসত উপস্থিত হৈ ড০ মজুমদাৰে এইদৰে কয়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথি অধ্যয়ন কৰাৰ উপৰি গৱেষণা, সমনীয়াৰ সৈতে সহযোগিতা আৰু প্ৰযুক্তিৰ সীমাহীন সম্ভাৱনাৰ অন্বেষণত সক্ৰিয়ভাৱে অংশ ল'বলৈ আহ্বান জনায়। এন আই টি পুডুচেৰীৰ কাৰিকৰী মহোৎসৱ **জ্ঞানিথ ২০২৫** উন্মোচন কৰি তেওঁ ইয়াৰ মূল বিষয় মানৱ-যন্ত্ৰ সহযোগিতা সন্দৰ্ভত আলোকপাত কৰে।

০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনখুস মান্দাভিয়াই আজি ভাৰ্চুৱেল মাধ্যমেৰে বিজ্ঞান বিকশিত ভাৰত সমাৱেশ উদ্বোধন কৰে। ন'বেল বঁটা বিজয়ী ছাৰ চি ভি ৰমনৰ জয়ন্তী উপলক্ষে চেন্নাইৰ তিৰুচিৰাপল্লীত এই সমাৱেশৰ আয়োজন কৰা হয়। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে তিৰুচিৰাপল্লীৰ ৰাষ্ট্ৰীয় বিদ্যালয়ৰ খেলপথাৰত এই সমাৱেশৰ আয়োজন কৰে। এন আই টিৰ ত্ৰিচিৰ সঞ্চালক ড০ আঘিলাই ফ্লেগ অফ কৰা এই সমাৱেশত ৪ হেজাৰৰো অধিক এন এছ এছ আৰু এন ৱাই কে এছৰ স্বেচ্ছা সেৱকসকলে অংশগ্ৰহণ কৰে। সমাৱেশৰ  অংশ হিচাপে এখন বিজ্ঞান প্ৰদৰ্শনীৰ আয়োজন কৰাৰ লগতে পৰিৱেশ সচেতনতা সৃষ্টিৰ উদ্দেশ্যে মাতৃৰ নামত এজোপা গছ কাৰ্যসূচী গ্ৰহণ কৰা হয়। সমাৱেশত বিজ্ঞানী চি ভি ৰমনৰ জীৱন সন্দৰ্ভত বক্তৃতানুষ্ঠানৰ লগতে স্বচ্ছতা অভিযান, যোগাসন, বিজ্ঞান প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়।

০০০০০

প্ৰচাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত কুমাৰ ছেহগালে যুৱ-যুৱতীসকলক জড়িত কৰা আৰু চহৰ অঞ্চলতো ৰেডিঅ'ৰ প্ৰচাৰ সম্প্ৰসাৰণ কৰাত গুৰুত্ব আৰোপ কৰে। শ্ৰী ছেহগালে আজি গুজৰাটৰ আহমেদাবাদত থকা আকাশবাণী কেন্দ্ৰ পৰিদৰ্শন কৰি এই দৰে কয়। শ্ৰী ছেহগালে কেন্দ্ৰটোৰ ষ্টুডিঅ', বাতৰি আৰু অনুষ্ঠান বিভাগৰ কাৰ্যকলাপৰ পৰ্যালোচনা কৰে।

অধ্যক্ষ শ্ৰী ছেহগালে এফ এম নেটৱৰ্কৰ সম্প্ৰসাৰণৰ জৰিয়তে ডিজিটেল ফুট প্ৰিণ্ট বৃদ্ধি কৰি প্ৰচাৰ ভাৰতীৰ সম্প্ৰসাৰণ কৰা প্ৰচেষ্টাক আলোকপাত কৰে। তেওঁ কেন্দ্ৰটোৰ বিষয়াসকলক যুৱক আৰু মহিলাসকলক সামৰি লোৱা উদ্ভাৱনী মূলক কাৰ্যসূচী প্ৰস্তুত কৰিবলৈ আহ্বান জনায়।

০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয়, যে বিশ্বৰ আটাইতকৈ বুদ্ধিমান আৰু ক্ষমতাশালী যুৱ প্ৰজন্মৰ ভিতৰত ভাৰতীয় যুৱ প্ৰজন্ম অন্যতম আৰু তেওঁলোক গোলকীয় প্ৰত্যাহ্বানসমূহ সমাধান কৰিবলৈ  সামৰ্থবান। পুনেৰ ভাৰতী বিদ্যাপীঠ ডিমড বিশ্ববিদ্যালয়ৰ ২৬ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত ভাগ লৈ শ্ৰী বিৰলাই এইদৰে কয়। ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত পুনেৰ জনসাধাৰণৰ বিশেষ অৱিহণাক তেওঁ প্ৰশংসা কৰে। এই অনুষ্ঠানত ৬ হেজাৰ ৮১৫ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী আৰু ডিপ্লমা প্ৰদান কৰা হয়। ইয়াৰ ভিতৰত ৪২ গৰাকী সোণৰ পদক প্ৰাপ্ত শিক্ষাৰ্থী আৰু ৭১ গৰাকী পি এইছ ডিগ্ৰী সম্পন্ন কৰা শিক্ষাৰ্থীও আছে।

০০০০০

দিল্লী বিধানসভাৰ হিচাপ সমিতিয়ে পূৰ্বৰ আপ চৰকাৰৰ আবকাৰী নীতি সন্দৰ্ভত কেগৰ প্ৰতিবেদন পৰীক্ষা কৰিব। ২০২১ চনত আপ চৰকাৰে কাৰ্যকৰী কৰা আবকাৰী নীতিৰ ফলত চৰকাৰৰ দুহেজাৰ কোটি টকা ৰাজহৰ লোকচান হৈছিল বুলি কেগৰ প্ৰতিবেদনত প্ৰকাশ পাইছে। দিল্লী বিধানসভাৰ অধ্যক্ষ বিজেন্দ্ৰ গুপ্তাই কয়, যে বিজেপিৰ ভালেমান বিধায়কে ইয়াৰ অনুসন্ধান কৰি দোষীসকলৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ দাবী কৰিছে। শ্ৰী গুপ্তাই কয়, যে হিচাপ সমিতিয়ে তিনি মাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব। অধ্যক্ষ শ্ৰী গুপ্তাই দিল্লী বিধানসভাৰ সচিবক দিল্লীৰ আবকাৰী বিভাগলৈ কেগৰ প্ৰতিবেদন পঠোৱাৰ লগতে এমাহৰ ভিতৰত ব্যৱস্থা গ্ৰহণৰ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। নৱগঠিত দিল্লী বিধানসভাত আজি ছবাৰকৈ নিৰ্বাচিত বিধায়ক মোহন সিং বিষ্টক উপাধ্যক্ষ নিৰ্বাচন কৰা হয়। শ্ৰী বিষ্ট সৰ্বসন্মতিক্ৰমে উপাধ্যক্ষ নিৰ্বাচিত হয়। দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই উপাধ্যক্ষ হিচাপে মোহন সিং বিষ্টৰ নাম প্ৰস্তাৱ কৰিছিল। শ্ৰী বিষ্টে বিধানসভা নিৰ্বাচনত মুস্তাফাবাদ সমষ্টিৰ পৰা বিজয়ী হয় আৰু তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী আপৰ আদিল আহমেদ খানক ১৭ হাজাৰতকৈও অধিক ভোটত পৰাস্ত কৰে।

ooooo

নতুন দিল্লীৰ বিজ্ঞান ভৱনত আজি প্ৰাণী মিত্ৰ আৰু জীৱ দয়া বঁটা বিজয়ীসকলক বঁটা প্ৰদান কৰা হয়। ৰাজ্যিক মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰী এছ পি সিং বাঘেল আৰু জৰ্জ কুৰিয়ানে এই বঁটা প্ৰদান কৰে। প্ৰাণী মিত্ৰ বঁটা পাঁচটা উপ-শাখাত বিভক্ত কৰি অধিবক্তা, উদ্ভাৱনীমূলক চিন্তা, আজীৱন পশু সেৱাৰ লগতে দুটা বঁটা পশু কল্যাণ আৰু কৰ্পোৰেট সংস্থা, ৰাজহুৱা খণ্ডৰ উদ্যোগ, চৰকাৰী সংস্থা বা সমবায়ৰ বাবে প্ৰদান কৰা হয়। ইয়াৰ উপৰি ব্যক্তি, পশু কল্যাণ সংস্থা, বিদ্যালয়, প্ৰতিষ্ঠান, শিক্ষক বা শিশুকে ধৰি তিনিটা শিতানত জীৱ দয়া বঁটা প্ৰদান কৰা হয়। এই পদক্ষেপৰ লক্ষ্য হৈছে- পশু কল্যাণ আৰু সুৰক্ষাৰ ক্ষেত্ৰত অৱদান আগবঢ়াই অহা ব্যক্তি আৰু সংস্থাসমূহক স্বীকৃতি দিয়া। এই অনুষ্ঠানৰ পাছতে মন্ত্ৰী শ্ৰী বাঘেলে সংবাদমাধ্যমৰ আগত কয়, যে এই বঁটাসমূহে নাগৰিকসকলৰ মাজত সজাগতা বৃদ্ধি কৰিব আৰু বঁটাপ্ৰাপকসকলে আন লোকসকলকো অনুপ্ৰাণিত কৰিব।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি হিন্দীৰ ব্যৱহাৰ বৃদ্ধিৰ আৱশ্যকতাৰ ক্ষেত্ৰত গুৰুত্ব দিয়ে। তেওঁ ভাষাক ভাৰতৰ সামাজিক, সাংস্কৃতিক দিশক বান্ধি ৰখা একোডাল সূতা বুলি অভিহিত কৰে। নতুন দিল্লীত প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ দ্বিবাৰ্ষিক হিন্দী আলোচনী **সশক্ত ভাৰত**ৰ প্ৰথম সংস্কৰণ উন্মোচন কৰি শ্ৰী সিঙে এইদৰে মন্তব্য কৰে। শ্ৰী সিঙে প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ বিভাগসমূহে হিন্দীক চৰকাৰী ভাষা হিচাপে আগস্থান দিয়া বাবে প্ৰশংসা কৰে। এই আলোচনীখনত সশস্ত্ৰ বাহিনীৰ কৰ্মীসকলৰ বিৰত্ব, দেশপ্ৰেম আৰু উৎসৰ্গাৰ মনোভাৱক প্ৰতিফলিত কৰা কবিতাৰ লগতে মন্ত্ৰালয়ৰ কৰ্মীসকলে লিখা চৰকাৰৰ নীতি সম্পৰ্কীয় প্ৰবন্ধ সন্নিৱিষ্ট কৰা হৈছে।

ooooo

নতুন দিল্লীত আজি স্পেছ ৰেডিয়েছন, গধুৰ আয়ন, মানৱ মহাকাশ অভিযান তথা জৈৱিক প্ৰভাৱ আৰু জৈৱ চিকিৎসা ব্যৱস্থা সন্দৰ্ভত আন্তঃৰাষ্ট্ৰীয় ৰেডিঅ' বায়'ল'জী সন্মিলন আৰম্ভ হয়। চৰকাৰৰ মুখ্য বৈজ্ঞানিক উপদেষ্টা, অধ্যাপক অজয় কুমাৰ সুদ আৰু প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থাৰ ডি আৰ ডি অ'ৰ ডাঃ সমীৰ ভি কামাথে এই সন্মিলন উদ্বোধন কৰে। সন্মিলনৰ বিশেষত্ব সন্দৰ্ভত আলোকপাত কৰি শ্ৰী সুদে কয়, যে মহাকাশ অভিযান বৃদ্ধি পাইছে আৰু ইয়াৰ ইতিবাচক দিশসমূহৰ বাবে ভৱিষ্যতেও এই অভিযান বৃদ্ধি পাব। তেওঁ কয়, যে

এই সন্মিলন প্ৰত্যাহ্বানসমূহ বুজি পোৱাৰ লগতে ইয়াৰ সমাধান আয়ত্ব কৰাত সহায়ক হ'ব। অধ্যাপক শ্ৰী সুদে কয়, যে বিকিৰণৰ জৈৱিক প্ৰভাৱ হ্ৰাস কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ প্ৰয়োজন।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি সমাজ সংস্কাৰক নানাজী দেশমুখৰ অৱদানক শ্ৰদ্ধাৰে স্মৰণ কৰি কয়, যে এটা যুগৰ পৰিৱৰ্তন সাধন কৰা লোকসকলে মৃত্যুৰ পাছতো প্ৰভাৱ বিস্তাৰ কৰি থাকে। নানাজী দেশমুখ ১৫ সংখ্যক মৃত্যু তিথি উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰী শ্বাহে এইদৰে কয়। অনুষ্ঠানত কলা, ৰাজনীতি, উদ্যোগ আৰু সেৱা খণ্ডত নানাজী দেশমুখৰ অনন্য অৱদানৰ বিষয়ে শ্ৰী শ্বাহে শ্ৰদ্ধাৰে স্মৰণ কৰে।

০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ৰাৱলপিণ্ডি ক্ৰিকেট ষ্টেডিয়ামত আজি পাকিস্তান আৰু বাংলাদেশৰ মাজত হ'বলগীয়া খেলখন বৰষুণৰ বাবে এটাও বল নেখেলাকৈ পৰিত্যক্ত ঘোষণা কৰা হয়। সুদীৰ্ঘ ২৯ বছৰত প্ৰথমবাৰৰ বাবে আই চি চি টুৰ্ণামেণ্টৰ আয়োজন কৰা পাকিস্তানে এখনো খেলত জয় লাভ নকৰাকৈ এই প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'বলগীয়া হয়। একেদৰে বাংলাদেশেও এখনো খেলত জয় লাভ নকৰাকৈ নিজৰ যাত্ৰাৰ সামৰে। দুয়োটা দলকে ১ পইণ্টকৈ ভগাই দিয়া হয়। যোৱা মঙলবাৰে দক্ষিণ আফ্ৰিকা আৰু অষ্ট্ৰেলিয়াৰ মাজৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হৈছিল।

০০০০০

সমাপ্ত